**REGIONAL NEWS UNIT**

AKASHVANI, GUWAHATI

0000000000

**Date :** 30-05-2026

**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নতুন দিল্লীৰ বাসগৃহত সৌজন্যমূলক সাক্ষাৎ কৰে। এয়া হৈছে ডঃ শৰ্মাই একেৰাহে দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰধানমন্ত্ৰীৰ সৈতে প্ৰথম আনুষ্ঠানিক মত বিনিময়। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰীক অসমৰ নৱগঠিত এন ডি এ চৰকাৰৰ প্ৰাথমিক অগ্ৰগতি আৰু অগ্ৰাধিকাৰৰ বিষয়ে অৱগত কৰে। মুখ্যমন্ত্ৰী শৰ্মাই প্ৰধানমন্ত্ৰী মোদীৰ অবিৰত সমৰ্থন আৰু নেতৃত্বৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে ৰাজ্যখনৰ ভৱিষ্যত উন্নয়নৰ বাবে তেওঁৰ পথ প্ৰদৰ্শন আৰু আশীৰ্বাদ বিচাৰে। এই বিষয়ে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে।

০০০০

বিগত সময়ছোৱাত অসম বিধানসভা সচিবালয়ত বিত্তীয় অনিয়ম সংঘটিত হোৱাৰ অভিযোগ সন্দৰ্ভত তদন্ত কমিটি গঠন কৰা হ'ব বুলি অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে প্ৰকাশ কৰিছে। নৱ নিযুক্ত অধ্যক্ষগৰাকীয়ে আজি বৰপেটাৰ এটা সম্বৰ্ধনা অনুষ্ঠানত এই কথা সদৰী কৰে।

-বাইট (ৰণজিৎ কুমাৰ দাস)-

তেওঁ কয়, যে ৰাজ্য চৰকাৰে বিভিন্ন বিভাগত পদোন্নতি আৰু নিযুক্তি প্ৰক্ৰিয়াত অধিক স্বচ্ছতা অনাৰ বাবে পদক্ষেপ লৈছে আৰু বিধানসভাৰ পৰাই ইয়াৰ আৰম্ভণি কৰা হৈছে। শেহতীয়াকৈ বিধানসভা সচিবালয়ে ঠিকা ভিত্তিকভাৱে নিয়োজিত ১২ গৰাকী অৱসৰপ্ৰাপ্ত বিষয়া কৰ্মচাৰীক দায়িত্বৰ পৰা অব্যাহতি দিয়া সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শ্ৰীদাসে কয়, যে এইসকল লোকক অৱসৰৰ পাছত পুনৰ মকৰল কৰা হৈছিল। বিধানসভাৰ সদ্য প্ৰাক্তন প্ৰধান সচিবগৰাকীয়েও দুবছৰ বৰ্ধিত সময় কাম কৰাৰ পাছতো পুনৰ কৰ্মৰত হৈ আছিল। অধ্যক্ষগৰাকীয়ে লগতে কয়, যে এনেধৰণৰ পুনৰ মকৰল আৰু কাৰ্য্যকাল বৃদ্ধিয়ে পদোন্নতি প্ৰক্ৰিয়াত বাধা প্ৰদান কৰে আৰু বিধানসভাত অযুক্তিকৰভাৱে অত্যাধিক কৰ্মচাৰী নিয়োজিত হৈ থকা বুলি প্ৰকাশ কৰে। ০

০০০

গুৱাহাটী মহানগৰক পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰখাৰ বাবে পৌৰ নিগমে এলানি বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। স্বচ্ছ অভিযানক জন আন্দোলনলৈ ৰূপান্তৰিত কৰাৰ বাবে পৌৰ নিগমে পুনৰ স্বচ্ছতা বিষয়ক প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই সন্দৰ্ভত পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই সংবাদমেল সম্বোধন কৰি কয়, যে মহানগৰীৰ উন্নয়ন সমিতি, নাগৰিক সমিতি, মহিলা সমিতিকে ধৰি বিভিন্ন সংঘ, ক্লাবসমূহৰ মাজত স্বচ্ছতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাৰ বাবে অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে পৰহিলৈৰ পৰা ১৫

জুনলৈকে নাম পঞ্জীয়ন কৰিব পাৰিব। এই প্ৰতিযোগিতাত সৰ্বমুঠ ১৫০ নম্বৰ থাকিব বুলি সদৰি কৰি শ্ৰীশৰণীয়াই কয়, যে প্ৰতিযোগী অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে স্বচ্ছতাৰ ভিন ভিন দিশত নম্বৰ লাভ কৰিব। ইয়াৰ ভিতৰত শুকান আৰু ভিজা জাৱৰ পৃথক কৰাৰ ক্ষেত্ৰত ১০ নম্বৰ, প্লাষ্টিক, জাৱৰমুক্ত নলা-নৰ্দমাৰ ক্ষেত্ৰত ১০ নম্বৰ, মুকলি স্থানত জাৱৰ নাথাকিলে ১০ নম্বৰ, বৃক্ষ ৰোপণত ১০ নম্বৰ আৰু দেৱাল লিখনৰ ক্ষেত্ৰত ১০ নম্বৰকৈ থাকিব। ইয়াৰ লগতে ঘৰ, দোকান, দেৱাল আদিত কপৌফুলৰ সৈতে সামঞ্জস্য ৰাখি পাতল বেঙুনীয়া ৰং ব্যৱহাৰ কৰিলে ৫০ নম্বৰ লাভ কৰিব। গুৱাহাটী মহানগৰক বেঙুনীয়া নগৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি মেয়ৰ মৃগেন শৰণীয়াই জানিবলৈ দিয়ে—

**বাইট (মৃগেন শৰণীয়া)**

মুঠ ছটা সংমণ্ডলৰ অধীনত হ'বলগীয়া এই প্ৰতিযোগিতাত প্ৰতিটো সংমণ্ডলত তিনিটা পুৰস্কাৰ থাকিব। প্ৰথম পুৰস্কাৰ ৩ লাখ টকা, দ্বিতীয় পুৰস্কাৰ ২ লাখ আৰু তৃতীয় পুৰস্কাৰ হিচাপে ১ লাখ টকা থাকিব। ৫০ হাজাৰ টকাকৈ তিনিটা নিচুকনি পুৰস্কাৰৰ ব্যৱস্থা কৰা হ'ব। আটাইকেইটা সংমণ্ডলৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ প্ৰতিযোগীক ৫ লাখ টকা পুৰস্কাৰ হিচাপে প্ৰদান কৰা হ'ব।

গুৱাহাটী মহানগৰৰ স্বচ্ছতাৰ মান উন্নত কৰাৰ বাবে এহেজাৰ স্বচ্ছ সখী নিয়োগ কৰাৰ লগতে জুন মাহৰ পৰা ঘৰে ঘৰে জাৱৰ সংগ্ৰহৰ বাবদ ৩০ টকাকৈ আদায় লোৱা বুলি শ্ৰীশৰণীয়াই সংবাদমেলত উল্লেখ কৰে। ০০০০

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব বিনিময় কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষাত প্ৰচাৰ কৰিব।

০০০

ঃঃ সমাপ্ত ঃঃ